# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-04-2024
**Time :** 1800 Hrs

## *Assamese Evening Bulletin*

---

ৰাজ্যখনৰ প্ৰথম পৰ্যায়ত ৫ টা সমষ্টিত হ'বলগীয়া লোকসভা নিৰ্বাচনলৈ মাজত মাত্ৰ দুটা দিন বাকী থকা অৱস্থাত নিৰ্বাচন হ'বলগীয়া জিলাসমূহৰ প্ৰশাসনে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছে। নিৰ্বাচনী আচৰণ বিধি উলংঘাৰ ঘটনা ৰোধ কৰাৰ উপৰি এই নিৰ্বাচন নিয়াৰিকৈ পৰিচালনাৰ বাবে প্ৰতিখন জিলা প্ৰশাসনে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। ১৯ এপ্ৰিলত নিৰ্বাচন হবলগীয়া কাজিৰঙা, শোণিতপুৰ, লখিমপুৰ, ডিব্ৰুগড় আৰু যোৰহাট সমষ্টিৰ অন্তৰ্ভুক্ত জিলাকেইখনত নিৰ্বাচনী পৰিপ্ৰেক্ষিতত ১৭ এপ্ৰিলৰ বিয়লি ৫ বজাৰ পৰা ভোটদানৰ দিনা বিয়লি ৫ বজা পৰ্যন্ত সুৰা নিষিদ্ধ ঘোষণা কৰা হৈছে। এই সময়ছোৱাত সুৰাজাতীয় সামগ্ৰী বিক্ৰী কৰা পাইকাৰী আৰু খুচুৰা বিপনী তথা দেশীয় সুৰাৰ দোকানসমূহ বন্ধ থাকিব। এই আদেশ উলংঘাকাৰীৰ বিৰুদ্ধে অসম আবকাৰী আইনৰ নিৰ্দিষ্ট ধাৰাৰ অধীনত বিধিগত ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

ইপিনে, ভোটগ্ৰহণ সুকলমে অনুষ্ঠিত কৰাৰ লক্ষ্যৰে শোণিতপুৰ জিলাত নিৰ্বাচনী বিষয়াসকলৰ প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। তেজপুৰ উচ্চতৰ মাধ্যমিক চৰকাৰী বিদ্যালয় আৰু তেজপুৰ মহাবিদ্যালয়ত আয়োজিত এই কাৰ্যসূচীত ৫ হাজাৰৰো অধিক নিৰ্বাচনী বিষয়া-কৰ্মচাৰীক তেওঁলোকৰ ভূমিকা আৰু দায়িত্ব সম্পৰ্কে প্ৰশিক্ষণ দিয়া হয়।

০০০০০

কেন্দ্ৰীয় লোকসেৱা আয়োগে ২০২৩ বৰ্ষৰ সৰ্বভাৰতীয় অসামৰিক সেৱা পৰীক্ষাৰ ফলাফল ঘোষণা কৰিছে। ৰাজ্যৰ কেইবাগৰাকীও যুৱক-যুৱতীয়ে এই তালিকাত স্থান লাভ কৰিছে। ইয়াৰ ভিতৰত অভিজ্ঞান হাজৰিকাই ১৭২ সংখ্যক স্থান, ৰিকি লহকৰ প্ৰধানে ২৩০ সংখ্যক স্থান, ঈশ্বৰী ডেকাই ৩২০ সংখ্যক স্থান, ঋতুৰাজ শৰ্মাই ৪৬২ সংখ্যক স্থান, ভাস্বত শইকীয়াই ৫৫২ সংখ্যক স্থান, কল্লোল হাজৰিকাই ৯৯২ সংখ্যক স্থান আৰু আজমল হুছেইনে ১০১৩ সংখ্যক স্থান লাভ কৰিছে। প্ৰকাশিত তালিকা অনুসৰি সৰ্বভাৰতীয় পৰ্যায়ত লক্ষ্ণৌৰ আদিত্য শ্ৰীবাস্তৱে প্ৰথম স্থান অধিকাৰ কৰাৰ বিপৰীতে অনিমেষ প্ৰধানে দ্বিতীয় আৰু দ'নুৰু অনন্যা ৰেড্ডীয়ে তৃতীয় স্থান লাভ কৰিছে।

০০০০০

আজি অশোকাষ্টমী। চ'ত মাহৰ শুক্ল অষ্টমী তিথিত অশোকাষ্টমী পালন কৰা হয়। আজিৰ দিনটোত ব্ৰহ্মপুত্ৰ, গংগা আৰু যমুনাৰ ত্ৰিবেণী সংগম হয়। যাৰ বাবে মৃতকৰ অস্থি প্ৰদান, পিণ্ডদান তথা বৰলুইতত স্নান কৰিলে মোক্ষ প্ৰাপ্তি হয় বুলি লোক পৰম্পৰা চলি আহিছে। এই উপলক্ষে ৰাজ্যৰ ভিন্ন প্ৰান্তৰ লগতে অশ্বক্লান্ত দেৱালয়ৰ বিষ্ণুকুণ্ডত পিতৃ-মাতৃৰ পিণ্ডদান, অস্থি প্ৰদান আৰু স্নানৰ বাবে আজি অগণন লোকৰ সমাগম হয়।

নিমাতী ঘাটতো অশোকাষ্টমী উপলক্ষে অগণন ভক্তৰ সমাগম হোৱাৰ উপৰি বিভিন্ন ক্ষুদ্ৰ ব্যৱসায়ীয়ে ভিৰ কৰিছে। ৰাইজৰ ভিৰৰ প্ৰতি লক্ষ্য ৰাখি নিমাতী আৰক্ষী চকীৰ বিষয়ববীয়াসকলে যাৱতীয় নিৰাপত্তা ব্যৱস্থা গ্ৰহণ কৰিছে। ব্ৰহ্মপুত্ৰত স্নান কৰোতে কোনো লোকৰে যাতে হানি নহয়, তাৰবাবে এছ ডি আৰ এফ বাহিনী মোতায়েন কৰা হৈছে।

০০০০০

আজি সাদিনীয়া ৰঙালী বিহুৰ চতুৰ্থ দিনটো ৰাজ্যজুৰি তাঁতৰ বিহুৰূপে পালন কৰা হৈছে। ৰাজ্য চৰকাৰৰ হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগে আজি গুৱাহাটীৰ আমবাৰীৰ বস্ত্ৰভৱনৰ বাকৰিত তাঁতৰ বিহু পালন কৰে। এই উপলক্ষে বিভাগৰ বিষয়া-কৰ্মচাৰীসকলে পৰম্পৰাগত সাজ-সজ্জাৰে বস্ত্ৰভৱনত থকা তাঁতশালসমূহ নকৈ সজাই তোলাৰ লগতে চাকি-বন্তি জ্বলাই পূজা-অৰ্চনা কৰে। তাঁতৰ বিহু উপলক্ষে বিভাগটোত আজি বিহুসুৰীয়া গীত-মাত আৰু হুঁচৰিৰ অনুষ্ঠানৰ আয়োজন কৰা হয়। হস্ততাঁত বস্ত্ৰশিল্প আৰু ৰেচম বিভাগৰ সচিব দিলীপ কুমাৰ বৰাই বন্তি প্ৰজ্বলনেৰে কাৰ্যসূচী মুকলি কৰে। অসম বস্ত্ৰশিল্প প্ৰতিষ্ঠানৰ জ্যেষ্ঠ শিক্ষক তথা বিশিষ্ট নিবন্ধকাৰ ৰবীন খাটনীয়াৰে **তাঁত বিহুৰ তাৎপৰ্য আৰু পৰম্পৰা** শীৰ্ষক বিষয়বস্তুৰ ওপৰত বিশেষ বক্তৃতা প্ৰদান কৰে। বিভাগীয় সঞ্চালক পৰাগমণি মহন্তই আদৰণি ভাষণত তাঁতৰ বিহু উদযাপনৰ উদ্দেশ্যৰ কথা উল্লেখ কৰে। তেওঁ অসমীয়া শিপিনীয়ে হাতে বোৱা গামোচা আৰু চাদৰ মেখেলা আদি ব্যৱহাৰ কৰিবলৈ উপস্থিত ৰাইজক আহ্বান জনায়।

আনহাতে ধৰ্মীয় পৰম্পৰা অনুসৰি মৰাণ জনগোষ্ঠীৰ লোকসকলৰ আজিৰে পৰা বিহু আৰম্ভ হৈছে। মৰাণসকলৰ বিহুৰ আজি উৰুকা আৰু কাইলৈ গৰু বিহু। উল্লেখযোগ্য যে, মৰাণসকলে চ'তৰ সংক্ৰান্তিত বিহু পালন নকৰে। তেওঁলোকৰ ব'হাগৰ প্ৰথম মঙলবাৰৰ পৰা বিহু পালন কৰাৰ নিয়ম আছে। তেওঁলোকে মঙলবাৰে উৰুকা আৰু বুধবাৰে গৰু বিহু পালন কৰাৰ পাছত বিহু নমোৱা কাৰ্যসূচীৰে মানুহ বিহু আৰম্ভ কৰি বিহু উৰুৱা কাৰ্যসূচীৰে বিহু উদযাপনৰ সামৰণি মাৰে। মৰাণসকলৰ ৰঙালী বিহু উপলক্ষে বিভিন্ন ঠাইত গছ তলৰ বিহু, ধৰ্ম হুঁচৰি, ৰাতি বিহুৰো আয়োজন কৰিছে। উজনি অসমৰ মৰাণ বসতিপ্ৰধান অঞ্চলসমূহত বিহুৰ বাবে উছৱমুখৰ পৰিৱেশে বিৰাজ কৰিছে।

০০০০০

বোকাখাটৰ বিশিষ্ট ধৰ্মপ্ৰাণ ব্যক্তি কমল দাসৰ আজি দুপৰীয়া নিজা বাসগৃহত পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৬ বছৰ। তেখেত অসম গণ পৰিষদৰ অতি পুৰণি নিষ্ঠাবান কৰ্মীৰ লগতে একশৰণ ভাগৱতী সমাজ আৰু অনুসূচিত জাতি পৰিষদৰো এগৰাকী অগ্ৰণী কৰ্মী আছিল। তেওঁৰ মৃত্যুত সমগ্ৰ বোকাখাট অঞ্চলতে শোকৰ ছাঁ পৰিছে।

০০০০০

সমাপ্ত